# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ নেতাসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ হোৱাৰ বিপৰীতে ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে দ্বিতীয় দিনৰ বাবে উত্তৰ প্ৰদেশত প্ৰচাৰ অভিযানত ভাগ লৈছে। শ্ৰীমোদীয়ে আজি বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰত ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ফতেহপুৰৰ নিৰ্বাচনী সভাত শ্ৰী মোদীয়ে কয় যে পূৰ্বতে অন্যান্য চৰকাৰৰ শাসনকালত উত্তৰ প্ৰদেশ অপৰাধ আৰু দুৰ্নীতিৰ বাবে কুখ্যাত আছিল যদিও বৰ্তমানে ৰাজ্যখন প্ৰগতিৰ দিশত অগ্ৰসৰ হৈছে।

বিজেপিৰ নেতাগৰাকীয়ে আজি সন্ধিয়া মহাৰাষ্ট্ৰৰ দক্ষিণ মধ্য মুম্বাই সংসদীয় সমষ্টিতো নিৰ্বাচনী সমাবেশত অংশ ল'ব। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ আৰু ওড়িশাত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীশ্বাহে ঝাৰখণ্ডৰ ৰাঁচী লোকসভা সমষ্টিতো ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথে বলৰামপুৰ, বাৰাবাংকী, লক্ষ্ণৌ আৰু অযোধ্যাত দলৰ হকে প্ৰচাৰ চলায়। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ বলানগীৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী বাদ্ৰাই সমাজবাদী পাৰ্টীৰ অধ্যক্ষ অখিলেশ যাদৱৰ সৈতে ৰায়বৰেলী আৰু আমেথিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই মুম্বাইত আজি আই এন ডি আই মিত্ৰজোঁটৰ এখন জনসভাত ভাগ ল'ব। কালি ভুৱনেশ্বৰত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীখাৰ্গেই বি জে ডি চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে।

০০০

বৰপেটা জিলাত মধ্যাহ্ন ভোজনৰ খাদ্য, অংগনৱাড়ী কেন্দ্ৰৰ খাদ্যৰ লগতে মিঠাইৰ দোকানৰ খাদ্যসমূহ পৰীক্ষাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলাখনত খাদ্যৰ মান উন্নত কৰাৰ উদ্দেশ্যে বিশেষ পদক্ষেপ লোৱা হৈছে। খাদ্যৰ মান পৰীক্ষা প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত খাদ্যৰ গুণাগুণ পৰীক্ষা কৰা এখন ভ্ৰাম্যমান বাহন আজি উদ্বোধন কৰা হয়। কেন্দ্ৰীয়

খাদ্য সুৰক্ষা আঁচনিৰ অধীনত দেশৰ খাদ্য সুৰক্ষা আৰু মানসম্পন্ন প্ৰাধিকৰণৰ উদ্যোগত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত আয়ুষ গৰ্গে পতাকা জোকাৰি বাহনখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰা অনুসৰি বাহনখনে বৰপেটাৰ বিভিন্ন প্ৰান্তত উপস্থিত হৈ থিতাতে খাদ্যৰ গুণাগুণ পৰীক্ষা কৰিব।

000

দেশৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰা হয়। উচ্চ ৰক্তচাপ প্ৰতিৰোধ, নিয়ন্ত্ৰণ তথা এই সন্দৰ্ভত সজাগতা গঢ়ি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত আজি এই দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথিৰাজ ৰাভাই অংশগ্ৰহণ কৰে। চিকিৎসালয়ত সমবেত লোকসকলক উচ্চ ৰক্তচাপ সন্দৰ্ভত সজাগ কৰিবলৈ প্ৰয়াস চলোৱা হয়।

000

মৰিগাঁও জিলা শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত তথা অসম বিজ্ঞান সমিতিৰ সহযোগত মৰিগাঁৱৰ জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত বিদ্যালয় পৰ্যায়ৰ এখন প্ৰদৰ্শনী অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীয়ে প্ৰদৰ্শনীখন আনুষ্ঠানিকভাৱে মুকলি কৰি উদ্যোক্তাসকলক এই পদক্ষেপৰ বাবে প্ৰশংসা কৰে। অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই বিজ্ঞান প্ৰদৰ্শনীত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা ৫টা দলক ৰাজ্যিক বিজ্ঞান সমাৰোহলৈ বাছনি কৰা হ'ব।

000

অসম গণ পৰিষদৰ প্ৰাক্তন সভাপতি, বৰ্ষীয়ান ৰাজনীতিক, প্ৰাক্তন শিক্ষা মন্ত্ৰী তথা ৰঙিয়া সমষ্টিৰ তিনিবাৰৰ বিধায়ক থানেশ্বৰ বড়োৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। যোৱা ১৩ মে'ত সংকটজনক অৱস্থাত ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ পৰা তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হৈছিল। বৰ্ষীয়ান ৰাজনীতিকগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বহুকেইজন ৰাজনৈতিক নেতা আৰু দল-সংগঠনে শোকপ্ৰকাশ কৰিছে। ইপিনে, গুৱাহাটীৰ আমবাৰীত থকা অগপৰ কাৰ্যালয়ত থানেশ্বৰ বড়োৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অসম বিধানসভাৰ অধ্যক্ষৰ চৰকাৰী আবাসতো থানেশ্বৰ বড়োৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

000

হাইলাকান্দিৰ ৰামনাথপুৰ আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি মাদক দ্ৰব্য জব্দ কৰাৰ লগতে এটা সৰবৰাহকাৰীক আটক কৰে। মাদকদ্ৰব্য খিনি পাঁচটা প্লাষ্টিকেৰে নিৰ্মিত চাবোনৰ বাকচত কঢ়িয়াই অনা হৈছিল। সৰবৰাহকাৰীটোক ইতিমধ্যে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

000

সমাপ্ত